**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-01-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি গোলাঘাটৰ সৰু পথাৰত ধনশিৰি নৈৰ নতুন মঠাউৰি নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰে। তেওঁ সৰু পথাৰৰ শ্যাম গাঁৱত বৌদ্ধ মন্দিৰ উন্নয়ন আঁচনিৰ আধাৰশিলা স্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰথমতে সাংসদ কামাখ্যা প্ৰসাদ তাচা আৰু সৰু পথাৰৰ বিধায়ক বিশ্বজিৎ ফুকনৰ উপস্থিতিত কৈৰি গাঁৱৰ পৰা পানজানলৈ তিনি কোটি ৩১ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া মঠাউৰিৰ নিৰ্মাণ কাৰ্য আনুষ্ঠানভাৱে শুভাৰম্ভ কৰে। বান আৰু খহনীয়া নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিগত সময়ছোৱাত জলসম্পদ বিভাগে সফলতা লাভ কৰা বুলি মন্তব্য কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ধেমাজি, মাজুলী, লখিমপুৰকে ধৰি কেইবাখনো জিলাত বানৰ ফলত হোৱা সমস্যা পূৰ্বতকৈ লাঘৱ হৈছে। যোৱাবাৰ বাৰিষাত মাজুলীৰ যুগুনীধাৰীত ব্ৰহ্মপুত্ৰৰ ছিগা মঠাউৰি ২৫ দিনৰ ভিতৰতে মেৰামতি সম্পূৰ্ণ কৰা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ইয়াৰ পাছতে মন্ত্ৰী হাজৰিকাই শ্যাম গাঁৱত ৰজাপুখুৰী শ্যামগাঁও বৌদ্ধ মন্দিৰ আৰু তুৰুংগাঁও বৌদ্ধ মন্দিৰ উন্নয়ন আঁচনিৰ আধাৰশিলা স্থাপন কৰে। উল্লেখযোগ্য যে কেইমাহমান পূৰ্বে ৰাজ্য চৰকাৰৰ **গাঁৱলৈ বলক** শীৰ্ষক অভিযানৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই শ্যাম গাঁৱতে নৈশ যাপন কৰি বৌদ্ধ মন্দিৰ দুটাৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ২৫ লাখ আৰু ৪০ লাখ টকা প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিছিল। সেই অনুসৰি আজি মন্দিৰ দুটাৰ আধাৰশিলা স্থাপন কৰা হয় বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

কলকাতাৰ বিশ্ব ভাৰতী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগটো পূৰ্ণাংগৰূপে গঢ়ি তুলিবৰ বাবে বিশ্ব বিদ্যালয় অনুদান আয়োগে অনুমোদন জনাইছে। ২০১৬ চনৰে পৰা বিভাগটোক পূৰ্ণাংগৰূপে গঢ়ি তোলাৰ বাবে দাবী উত্থাপন কৰি অহা হৈছিল। বিশ্ব ভাৰতীৰ পৰা প্ৰস্তাৱিত ৬টা অধ্যাপক পদৰ বিপৰীতে আয়োগে ৪টা পদত অনুমোদন জনায়। বিশ্ববিদ্যালয় অনুদান আয়োগে ই-মেইল যোগে বিশ্বভাৰতীৰ পঞ্জীয়কক এই অনুমোদনৰ বিষয়ে অৱগত কৰে। কেন্দ্ৰীয় বিত্ত বিভাগে অনুমোদন জনালেই ৰাজ্যখনৰ বাহিৰৰ একমাত্ৰ অসমীয়া ভাষা শিক্ষাৰ বিভাগটো কাৰ্যকৰীভাৱে পূৰ্ণাংগ বিভাগলৈ উন্নীত হ'ব। উল্লেখযোগ্য যে ১৯৭৯ চনত এজনীয়া অধ্যাপক আসনেৰে আৰম্ভ হোৱা বিভাগটোৱে আৰু ৪ বছৰৰ পিছতে স্বৰ্ণ জয়ন্তী বৰ্ষত ভৰি দিব।

০০০০০

ৰাজ্য চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ উদ্যোগত উত্তৰ লখিমপুৰত আজিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে ক্ষুদ্ৰ, লঘু আৰু মজলীয়া ঔদ্যোগিক মেলাৰ আয়োজন কৰা হৈছে। এই ঔদ্যোগিক মেলাত জিলাখনৰ বিভিন্ন গোটসমূহে প্ৰস্তুত কৰা সামগ্ৰীসমূহ প্ৰদৰ্শন কৰা হৈছে। সাংসদ প্ৰদান বৰুৱা মুখ্য অতিথি

হিচাপে উপস্থিত থকা এই মেলাৰ উদ্বোধনী অনুষ্ঠানত জিলা আয়ুক্ত আৰু লখিমপুৰ জিলাৰ কেইবাগৰাকীও বিধায়কেও অংশগ্ৰহণ কৰে।

০০০০০

বজালী জিলাৰ আনন্দপুৰত আজি জিলা যোগী সন্মিলনিৰ দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয়। সভাত ২০২৫-২৭ বৰ্ষৰ বাবে নতুন সমিতি গঠন কৰা হয়। ইয়াৰ লগতে জালাহত হ'বলগীয়া অসম প্ৰাদেশীক যোগী সন্মিলনিৰ ১০৫ সংখ্যক অধিৱেশন সন্দৰ্ভতো আলোচনা কৰা হয়। জিলা যোগী সন্মিলনিৰ সভাপতিয়ে সভাপতিত্ব কৰা এই কাৰ্যসূচীত কেন্দ্ৰীয় সমিতিৰ কেইবাগৰাকীও বিষয়ববীয়াই অংশগ্ৰহণ কৰে।

০০০০০

ভাৰতীয় ৰে'লৰেৰ **ৰে'লৱে নিযুক্তি ব'ৰ্ডে** বিভিন্ন শ্ৰেণীৰ পদৰ বাবে নিযুক্তি ঘোষণা কৰিছে। এহেজাৰ ৩৬টা পদৰ বাবে প্ৰাৰ্থীসকলে অহা ৬ ফেব্ৰুৱাৰীলৈ www.rrbapply.gov.in ত আবেদন কৰিব পাৰে। এই নিযুক্তি প্ৰক্ৰিয়াত স্নাতকোত্তৰ শিক্ষক, বিজ্ঞান পৰ্যৱেক্ষক, প্ৰশিক্ষিত স্নাতক শিক্ষক, মুখ্য আইন সহায়ক, শৰীৰ চৰ্চাৰ প্ৰশিক্ষক, বৈজ্ঞানিক সহায়ক, কনিষ্ঠ অনুবাদক, জ্যেষ্ঠ প্ৰচাৰ পৰিদৰ্শক, কৰ্মচাৰী আৰু কল্যাণ পৰিদৰ্শক, সংগীত শিক্ষক, পৰীক্ষাগাৰ সহায়ক আদিৰ পদ আছে। আবেদনকাৰীসকলৰ বয়স কমেও ১৮ বছৰ হ'ব লাগিব। নিৰ্দিষ্ট পদৰ ওপৰত ভিত্তি কৰি বয়সৰ সীমা পৃথক হ'ব। বয়সৰ উচ্চ সীমা ৪৮ বছৰ নিৰ্ধাৰণ কৰা হৈছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতাৰ আবেদন পত্ৰ গ্ৰহণৰ কাইলৈ হৈছে অন্তিম দিন। ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীসকলে কাইলৈৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ আকাশবাণী গুৱাহাটী চানমাৰিত থকা কাৰ্যালয়ত নিজ হাতে জমা দিব পাৰে।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বাতৰি আৰু বাতৰি বিভাগৰ অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলে WHATSAPP NO. ৯৮৬৪০-৫৫৫৬৬ যোগে দিয়া অভিযোগ আৰু পৰামৰ্শৰ উত্তৰ দিয়া হ'ব। অনুষ্ঠানটোত ভাগ ল'ব বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিৱেশিকা অৰুণিমা গোস্বামী আৰু বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে। ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান চমুকৈ আই আই এম চিৰ আইজল চৌহদৰ আঞ্চলিক সঞ্চালক ড° শাশ্বতী গোস্বামীও সেইদিনা ষ্টুডিঅ'ত উপস্থিত থাকি বাতৰি সম্পৰ্কত তেওঁৰ মতামত আগবঢ়াব। অনুষ্ঠান চলি থকাৰ সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰিব পাৰিব।

০০০০০

সমাপ্ত